# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 12-09-2026
**Time :** 7:10 PM

ASSAMESE EVENING NSD BULLETIN

## HEADLINES

::::::::::::::::::::

১। ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ প্ৰথম দিনাই গ্ৰহণ কৰা নতুন দিল্লী ঘোষণা পত্ৰ ২০২৬ত ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলে গোলকীয় স্তৰত ক্ৰমবৰ্ধমান সামৰিক ব্যয়ৰ বিষয়টো লৈ আশংকা ব্যক্ত কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতি বছৰে অধ্যক্ষৰ দায়িত্বত থকা ৰাষ্ট্ৰ সলনি হোৱা সত্বেও ৰাষ্ট্ৰগোষ্ঠীটোৰ গতি বৰ্তাই ৰখাৰ বাবে ব্ৰিকছৰ নিৰন্তৰতা আৰু ৰূপায়ণ ব্যৱস্থাৰ প্ৰস্তাৱ দিয়ে।

৩। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে নতুন দিল্লীত ইনষ্টিউট অৱ চাৰ্টাৰ্ড একাউণ্টেণ্টছ্ অৱ ইণ্ডিয়াৰ উদ্যোগত আয়োজিত সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰে।

৪। বৈদেশিক মুদ্ৰা অনা আৱাসিক বেংক আৰু অন্যান্য আঁচনিসমূহৰ জৰিয়তে মুদ্ৰাৰ প্ৰবাহ অধিক শক্তিশালী হৈছে বুলি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্নৰ সঞ্জয় মালহোত্ৰাই প্ৰকাশ কৰিছে।

*আৰু*

৫। চীনৰ মকীত অনুষ্ঠিত হকী প্ৰতিযোগিতাত ভাৰতে দক্ষিণ কোৰিয়াক ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি মহিলা জুনিয়ৰ এছিয়া কাপৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

ব্ৰিকছে বিশ্বৰ বিভিন্ন প্ৰান্তত চলি থকা সংঘাত আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰমত মেৰুকৰণ আৰু খণ্ডিতকৰণ বিষয়ত উদ্বেগ প্ৰকাশ কৰিছে। ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ প্ৰথম দিনাই গ্ৰহণ কৰা নতুন দিল্লী ঘোষণা পত্ৰ ২০২৬ত ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলে গোলকীয় স্তৰত ক্ৰমবৰ্ধমান সামৰিক ব্যয়ৰ বিষয়টো লৈ আশংকা ব্যক্ত কৰিছে। ৰাষ্ট্ৰগোষ্ঠীয়ে গুৰুত্বপূৰ্ণ গোলকীয় বিষয়সমূহৰ ওপৰত বৈচিত্ৰ্যময় ৰাষ্ট্ৰীয় দৃষ্টিভংগী আৰু ইয়াৰ স্থিতিক সন্মান জনোৱা বহুপক্ষীয় দৃষ্টিভংগীৰ পোষকতা কৰিছে। বহনক্ষম উন্নয়ন, ক্ষুধা আৰু দৰিদ্ৰতা নিৰ্মূল তথা জলবায়ু পৰিৱৰ্তনৰ প্ৰতি বিশ্বব্যাপী সঁহাৰিত অৰিহণা যোগোৱা- এই বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে।

ব্ৰিকছ্ সদস্যসকলে পশ্চিম এছিয়াত অব্যাহত থকা উত্তেজনাৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু এই বিষয়ত সম্ভৱপৰ সকলো ধৰণৰ সংযম প্ৰয়োগ কৰাৰ লগতে পৰিস্থিতি আৰু অধিক প্ৰতিকূল কৰি তুলিব পৰা কাৰ্যসমূহ এৰাই চলিবলৈ আহ্বান জনায়। সন্মিলনত ৰাষ্ট্ৰসংঘৰ চনদৰ উদ্দেশ্য আৰু নীতি অনুসৰি সাধাৰণ নাগৰিক আৰু অসামৰিক আন্তঃগাঁথনিৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ তেওঁলোকে আহ্বান জনায়। ৰাষ্ট্ৰগোষ্ঠীয়ে আলোচনা আৰু কূটনীতিৰ মাধ্যমেৰে অঞ্চলটোত স্থায়ী শান্তি, নিৰাপত্তা আৰু স্থিতিশীলতা বৰ্তাই ৰখা দীৰ্ঘম্যাদী প্ৰচেষ্টাৰ শলাগ লয়।

আন্তঃৰাষ্ট্ৰীয় পাৰমাণৱিক শক্তি সংস্থাৰ সম্পূৰ্ণ সুৰক্ষাৰ অধীনত অসামৰিক আন্তঃগাঁথনি আৰু শান্তিপূৰ্ণ পাৰমাণৱিক সুবিধাসমূহৰ ওপৰত ইচ্ছাকৃতভাৱে আক্ৰমণ কৰা বিষয়টোত ৰাষ্ট্ৰগোষ্ঠীয়ে উদ্বেগ প্ৰকাশ কৰে।

আলোচনাকালত ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীয়ে উল্লেখ কৰে যে সশস্ত্ৰ সংঘাতকে ধৰি মানুহ আৰু পৰিৱেশক ক্ষতিৰ পৰা ৰক্ষা কৰিবলৈ পাৰমাণৱিক সুৰক্ষা আৰু নিৰাপত্তাৰ বিষয়ত গুৰুত্ব আৰোপ কৰিব লাগিব। ব্ৰিকছ্ নেতাসকলে সংশ্লিষ্ট UNGA আৰু UNSC-ৰ প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰাৰ বাবে আহ্বান জনায় আৰু সকলো পক্ষকে গাজা ষ্ট্ৰিপত যুদ্ধ বিৰতি তথা মানৱীয় প্ৰৱেশ সম্পূৰ্ণ আৰু বাধাহীন কৰাৰ বিষয়টো নিশ্চিত কৰিবলৈ আহ্বান জনায়। তেওঁলোকে লগতে উল্লেখ কৰে যে ইজৰাইল-পেলেষ্টাইন সংঘাতৰ নায্য আৰু স্থায়ী সমাধান শান্তিপূৰ্ণ উপায়ৰ দ্বাৰাহে সম্ভৱ আৰু ই পেলেষ্টাইন জনসাধাৰণৰ বৈধ অধিকাৰসমূহ পূৰণৰ ওপৰত নিৰ্ভৰশীল।

সন্মিলনত ৰাষ্ট্ৰগোষ্ঠীয়ে সন্ত্ৰাসবাদৰ যিকোনো কাৰ্যক অপৰাধমূলক আৰু অযুক্তিকৰ বুলি তীব্ৰ গৰিহণা দিয়ে। যোৱা বছৰৰ ২২ এপ্ৰিলত জম্মু-কাশ্মীৰত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে সমালোচনা কৰে। সদস্য ৰাষ্ট্ৰগোষ্ঠীয়ে সীমা অতিক্ৰম কৰি সন্ত্ৰাসবাদীৰ মুক্ত বিচৰণ, সন্ত্ৰাসবাদীক বিত্তীয় সাহায্য আৰু নিৰাপদ আশ্ৰয় প্ৰদানকে ধৰি বিভিন্ন বিষয়ৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতি বছৰে অধ্যক্ষৰ দায়িত্বত থকা ৰাষ্ট্ৰ সলনি হোৱা সত্বেও ৰাষ্ট্ৰগোষ্ঠীটোৰ গতি বৰ্তাই ৰখাৰ বাবে ব্ৰিকছৰ নিৰন্তৰতা আৰু ৰূপায়ণ ব্যৱস্থাৰ প্ৰস্তাৱ দিয়ে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত চলি থকা ব্ৰিকছ্ সন্মিলন ২০২৬ৰ আজিৰ অধিৱেশনৰ মুকলি ভাষণ প্ৰদান কৰি শ্ৰীমোদীয়ে কয়, যে এই ব্যৱস্থাই ট্ৰেকাৰ জৰিয়তে সকলো পদক্ষেপ আৰু ফলাফলৰ অনুসৰণ সম্ভৱ কৰি তুলিব। প্ৰধানমন্ত্ৰীয়ে কয়, যে ব্ৰিকছ্ ৰাষ্ট্ৰসমূহে পৰৱৰ্তী ২০ বছৰৰ বাবে নতুন আৰু অভিলাষী কাৰ্যসূচী সন্দৰ্ভত কাম কৰা উচিত। ৰাষ্ট্ৰগোষ্ঠীটোৰ নিজা কাৰ্যব্যৱস্থাৰ জৰিয়তে এই প্ৰক্ৰিয়া আৰম্ভ হোৱা উচিত বুলিও তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে সংশ্লিষ্ট দেশসমূহৰ সামুদ্ৰিক কৰ্তৃপক্ষ আৰু কূটনৈতিক মিছনসমূহক সংযোগ কৰি কঠিন সময়ত সহায়ৰ সুবিধাৰ বাবে নাৱিক জৰুৰীকালীন সহায়ৰ নেটৱৰ্ক স্থাপনৰ প্ৰস্তাৱো আগবঢ়ায়

**বাইট (পি এম)**

ব্ৰিকছ্ দেশসমূহৰ মাজত থকা ঐক্য আৰু সহমতক বিশ্বৰ মঞ্চত সুনিৰ্দিষ্ট ফলাফললৈ ৰূপান্তৰিত কৰাৰ সময় আহি পৰিছে বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ব্ৰিকছৰ ৰাষ্ট্ৰগোষ্ঠীৰ সদস্যসকলে ইজনে সিজনক সন্মান কৰে আৰু সহমতৰ জৰিয়তে আগবাঢ়ি যায়। প্ৰধানমন্ত্ৰীয়ে এইবাৰৰ ব্ৰিকছ্ সন্মিলনক এক ঐতিহাসিক মাইলৰ খুঁটি বুলি অভিহিত কৰে। তেওঁ কয়, যে বিগত দুটা দশকত ব্ৰিকছে বিশ্বৰ মঞ্চত নিজৰ সুকীয়া স্থান প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। শ্ৰীমোদীয়ে কয়, যে স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতা ভাৰতৰ অগ্ৰাধিকাৰৰ বিষয় হৈ পৰিছে। শ্ৰীমোদীয়ে লগতে উল্লেখ কৰে যে এই দৃষ্টিভংগীৰে ৩৫০ খনতকৈও অধিক বৈঠকৰ আয়োজন কৰা হৈছিল আৰু ভাৰতে দেশৰ প্ৰায় ৩০ খন চহৰত প্ৰতিনিধি দলক আদৰণি জনাইছিল।

ooooo

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে আজি নতুন দিল্লীত ইনষ্টিউট অৱ চাৰ্টাৰ্ড একাউণ্টেণ্টছ অৱ ইণ্ডিয়া চমুকৈ আই চি এ আই-ৰ উদ্যোগত আয়োজিত সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰে। সমগ্ৰ দেশৰ ২৩টা কেন্দ্ৰত আয়োজন কৰা এই অনুষ্ঠানত শ্ৰীমেঘৱালে নতুনকৈ সফলতা অৰ্জন কৰা চাৰ্টাৰ্ড একাউণ্টেণ্টসকলক প্ৰমাণপত্ৰ প্ৰদান কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমেঘৱালে কয়, যে সমাৱৰ্তন অনুষ্ঠানত বিকশিত ভাৰতৰ লক্ষ্য, দ্ৰুতগতিত বৃদ্ধি পোৱা ভাৰতীয় অৰ্থনীতি আৰু দেশৰ

অৰ্থনৈতিক উন্নয়নত চাৰ্টাৰ্ড একাউণ্টেণ্টসকলৰ উল্লেখযোগ্য ভূমিকা সন্দৰ্ভতো আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে অবিৰত প্ৰগতি আৰু উন্নয়নৰ নতুন মাইলৰ খুঁটি স্থাপন কৰিবলৈ সমৰ্থ হৈছে। যুৱ চাৰ্টাৰ্ড একাউণ্টেণ্টসকলৰ দক্ষতা, দায়বদ্ধতা আৰু অৱদানে দেশৰ উন্নয়নৰ যাত্ৰাক অধিক ত্বৰান্বিত কৰাৰ লগতে সমৃদ্ধিশালী ভাৰতবৰ্ষ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গভৰ্নৰ সঞ্জয় মালহোত্ৰাই কয়, যে বৈদেশিক মুদ্ৰা অনা আৱাসিক বেংক–এফ চি এন আৰ-বি আৰু অন্যান্য আঁচনিসমূহৰ জৰিয়তে মুদ্ৰাৰ প্ৰবাহ অতি শক্তিশালী হৈছে। এটা ব্যক্তিগত টেলিভিছন চেনেলৰ সৈতে হোৱা সাক্ষাৎকাৰত আৰ বি আইৰ গভৰ্নৰগৰাকীয়ে কয়, যে এই শক্তিশালী প্ৰবাহে ভাৰতীয় অৰ্থনীতিৰ মৌলিক দিশসমূহৰ ওপৰত আস্থা প্ৰতিফলিত কৰে আৰু কম সময়ৰ ভিতৰতে বৈদেশীক পুঁজি আকৰ্ষণ কৰাৰ ক্ষমতা প্ৰদৰ্শন কৰে। বেংকিং ব্যৱস্থাত উদ্বৃত নগদ ধনৰ সহজলভ্যতা সন্দৰ্ভত শ্ৰীমালহোত্ৰাই কয়, যে কেন্দ্ৰীয় বেংকৰ হাতত নগদ ধনৰ সহজলভ্যতা পৰিচালনা কৰিবলৈ পৰ্যাপ্ত পৰিমাণৰ সঁজুলি মজুত আছে আৰু প্ৰয়োজন অনুসৰি সেইসমূহ ব্যৱহাৰ কৰিবলৈ সাজু আছে। তেওঁ লগতে কয়, যে ক্ৰেডিট বৃদ্ধিৰ মাজতে মুদ্ৰাৰ প্ৰচলন, বৈদেশিক বিনিময় হস্তক্ষেপ আৰু বেংকৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা অনুসৰি সময়ত উদ্বৃত নগদ ধনৰ সহজলভ্যতাৰ কিছু অংশ উলিওৱা হ'ব। কেন্দ্ৰীয় বেংকৰ উদ্দেশ্য হৈছে উপযুক্ত নগদ ধনৰ সহজলভ্যতা আৰু গড় কল ৰেট আৰু ৰেপ' ৰেটৰ মাজত সামঞ্জস্য বৰ্তাই ৰখা বুলিও মালহোত্ৰাই লগতে উল্লেখ কৰে।

পশ্চিম এছিয়াত চলি থকা সংকটৰ বাবে খাৰুৱা তেলৰ মূল্য বৃদ্ধিৰ মাজতে অহা মাহত অনুষ্ঠিত হ'বলগীয়া বৈঠকত মুদ্ৰা নীতি সমিতিয়ে বৃদ্ধি আৰু মুদ্ৰাস্ফীতিৰ গতিশীলতা পুনৰ মূল্যায়ন কৰিব বুলি আৰ বি আইৰ গৰ্ভনৰগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমালহোত্ৰাই উল্লেখ কৰে যে খাৰুৱা তেলৰ মূল্য বৃদ্ধিৰ প্ৰভাৱ মুদ্ৰাস্ফীতিৰ ওপৰত কিমান পৰিব, সেই বিষয়টো মুদ্ৰাস্ফীতিয়ে উপভোক্তাৰ ওপৰত পেলোৱা প্ৰভাৱৰ ওপৰত নিৰ্ভৰ কৰিব।

ooooo

শ্ৰী গুৰু গ্ৰন্থ্ চাহিবৰ প্ৰকাশ পৰ্ব্ উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে শ্ৰী শ্বাহে কয়, যে শ্ৰী গুৰুগোবিন্দ সিঙে শ্ৰীগুৰু গ্ৰন্থ চাহিবক গুৰুৰ মৰ্যাদা প্ৰদান কৰি জীৱনৰ পথ প্ৰদৰ্শন – জ্ঞান, সত্য আৰু নীতিৰ পৰাই আহে বুলি প্ৰকাশ কৰিছে। এই শাস্ত্ৰখনে সেৱা, ত্যাগ, সমতা, মানৱতা আদি অমূল্য শিক্ষা আগবঢ়াইছে, যিয়ে সমাজখনক সদায়েই মানৱ কল্যাণৰ বাবে কাম কৰিবলৈ অনুপ্ৰাণিত কৰি আহিছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই পৱিত্ৰ দিনটোত শিখ সম্প্ৰদায়ৰ লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে শ্ৰী গুৰু গ্ৰন্থ্ চাহিবৰ শিক্ষাই মানৱতাক সত্য, সেৱা, সমতা, মমতা আৰু সমন্বয়ৰ দিশত পথ প্ৰদৰ্শন কৰে। তেওঁ লগতে কয়, যে শ্ৰী গুৰু গ্ৰন্থ্ চাহিবৰ বাৰ্তাই মানুহক পাৰস্পৰিক সদিচ্ছা, সন্মান আৰু ভাতৃত্ববোধেৰে সমাজ আৰু জাতিৰ সেৱা কৰিবলৈ অনুপ্ৰাণিত কৰে। এই পৱিত্ৰ অনুষ্ঠানে সকলোৰে বাবে শান্তি, সমৃদ্ধি আৰু সুখ কঢ়িয়াই আনিব বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যহু, ইজৰাইলৰ জনসাধাৰণ আৰু সমগ্ৰ বিশ্বতে বসবাস কৰা ইহুদী সম্প্ৰদায়ৰ লোকসকলক ইহুদী ৰ'ছ্ হাছানাত শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে অনাগত বছৰটোৱে শান্তি, সুস্বাস্থ্য আৰু প্ৰগতি কঢ়িয়াই আনিব বুলি আশা ব্যক্ত কৰে।

00000

চীনৰ মকীত আজি অনুষ্ঠিত হোৱা হকী প্ৰতিযোগিতাত ভাৰতে দক্ষিণ কোৰিয়াক ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ২০২৬ চনৰ মহিলা জুনিয়ৰ এছিয়া কাপৰ ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেল খেলখনত ভাৰতে আয়োজক দেশ চীনৰ মুখামুখি হ'ব। আজিৰ খেলখনত ভাৰতৰ হৈ সুপ্ৰীয়া থাপাই হেট্ৰিক অৰ্জন কৰাৰ বিপৰীতে মধু ছিডাৰ আৰু সুখবীৰ কৌৰে এটাকৈ গ'ল দিয়ে। আনহাতে যুৰী জঙে দক্ষিণ কোৰিয়াৰ হৈ একমাত্ৰ গ'লটো দিয়ে। এই বিজয়ে কোৱাৰ্টাৰ ফাইনেলত পাকিস্তানৰ বিৰুদ্ধে ভাৰতে অৰ্জন কৰা ১৯-০ ব্যৱধানৰ জয়ক অনুসৰণ কৰিছে। ভাৰতে নিজৰ গ্ৰুপৰ শীৰ্ষস্থান দখল কৰিছিল য'ত জাপান, মালয়েছিয়া আৰু দক্ষিণ কোৰিয়াও অন্তৰ্ভুক্ত আছিল। ২০২৩-২৪ এই প্ৰতিযোগিতাত জয়লাভ কৰাৰ পাছত ভাৰতে এতিয়া ক্ৰমাগতভাৱে তৃতীয়বাৰৰ বাবে মহিলা জুনিয়ৰ এছিয়া কাপৰ খিতাপ দখল কৰাৰ লক্ষ্য স্থিৰ কৰিছে।

00000

সমাপ্ত